হাছান আৰু হুছেইন হৈছে জান্নাতৰ যুৱকসকলৰ চৰ্দাৰ।

আবু ছাঈদ আল-খুদৰী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু
আলাইহি অছাল্লামে কৈছেঃ "হাছান আৰু হুছেইন হৈছে জান্নাতৰ যুৱকসকলৰ চৰ্দাৰ।"
[ছহীহ] [(তিৰমিজী, আহমদ)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেখেতৰ দুয়ো নাতি অৰ্থাৎ আলী ইবনে আবি তালিব আৰু ফাতিমা বিন্তে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পুত্ৰ সম্পৰ্কে হাদীছটোত কৈছে যে, যুৱক অৱস্থাত মৃত্যুবৰণ কৰা প্ৰতিজন জান্নাতী লোকৰ তেওঁলোক দুজন হ'ব চৰ্দাৰ। নাইবা নবীসকল আৰু খুলাফায়ে ৰাশ্বিদীনৰ বাহিৰে সকলো জান্নাতী যুৱকৰে তেওঁলোক চৰ্দাৰ হ'ব।

http://www.sunnah.global/hadeeth/as/show/11169